পৰা ১৬১১ লৈ এই ২৪।২৫ বছৰৰ ভিতৰত শেক্সপীয়েৰে তেওঁৰ শ্ৰেষ্ঠ নাটখিনি লিখিছিল, আৰু সেই কালতহে ইংলণ্ডত নিয়মিতভাৱে চিত্ৰিত দৃশ্যপটৰ ব্যৱহাৰ হৈছিল। ১৬০০ খৃষ্টাব্দতো ইংলণ্ড যুঠেই এক লাখ নাগৰিকৰ এখন সৰু ছহৰ বুলিব পাৰি। তেন্তে চিহ্নযাত্ৰা নাট আৰু তাৰ নাটশাল ইংলণ্ডৰ নিয়মিত নাট আৰু নাটশালতকৈ নাই বুলিও ছকুৰি বছৰৰ যে আগ, তাক ঠাৱৰাব পাৰি।

শঙ্কৰদেৱৰ এই প্ৰথম নাট **চিহ্নযাত্ৰা** আজি পাবলৈ নাই বাবেই সি নাছিল এনে আশঙ্কা অমূলক; কিয়নো শঙ্কৰদেৱৰ প্ৰায় ছকুৰি বছৰৰ পাছৰ শেক্সপীয়েৰেও তেওঁৰ নাটবোৰ শেষ কাললৈকে নিজে সাঁচি-সামৰি ৰখা নাছিল। যি অনুষ্ঠানৰ বাবে ৰচা হৈছিল, তাৰ অভূতপূৰ্ব সফলতাই নিশ্চয় সেই প্ৰথম নাট আৰু প্ৰথম কাব্যৰো সফলতাৰ অপূৰ্ব নিদৰ্শন। ৰামচৰণৰ মতে ১৪৬৯ ত শ্ৰীশঙ্কৰদেৱ প্ৰমুখ্যে ভুঞাসকল পুনৰ টেম্বুৱানী ৰৰদোৱালৈ উঠি যায় আৰু তাত পেহাক বুঢ়াখাই শঙ্কৰদেৱক পিতামহ আৰু অন্যান্য ভুঞাসকলৰ পুৰণি ভেটি দেখুৱাই "আপোনাৰ থানে থানে সৱে বসন্তোক। ১৬১৩।" বুলি আদেশ কৰাত আটায়ে "লুকি লুকি আপোনাৰ ভিঠিক লৈলন্ত। ১৬১৪।" এইদৰে আলি-পুখুৰীৰ পৰা সদৌ ভূঞা পুৰণি ভেটিলৈ উঠি অহাৰ পাছত ( ১৬১৫-১৮ পদ )—

"শঙ্কৰে কীৰ্ত্তন ঘৰ সাজিবাক কৈল। ভিঠি বান্ধিবাক লাগি সমস্তে আসিল ॥
আপুনি শঙ্কৰে পাছে কোৰক ধৰিলা। পৃথিবীত চতুৰ্ভুজ মূৰ্ত্তিক দেখিলা ॥
শিলৰ প্ৰতিমা গাৱ কালা অতিশয়। চিকমিক কৰি গাৱ অধিক শোভয় ॥
পূজিবো ঈশ্বৰ ঐত সিদ্ধি হৈব কাম। দেৱী-পূজা এড়ি সৱে লৈবে কৃষ্ণ নাম ॥"

১৪৬৭তে তেন্তে শঙ্কৰদেৱৰ নামঘৰ আৰু নাম-কীৰ্ত্তনৰ অনুষ্ঠান আৰম্ভ হয়, আৰু ১৪৭০ ত অসমত প্ৰথম ফাগুৱা উৎসৱ শঙ্কৰদেৱে পাতে :—

"শঙ্কৰেয়ো ৰঙ্গে আতি বসিয়া সমাজ পাতি,
হৰিৰ নামক সদা কন্ত।
ভকতসকল যেৱে শঙ্কৰৰ মুখে তেৱে
হৰি-কথা আনন্দে শুনন্ত ॥ ১৬৩২
ভুঞাসকলক কৈলা, শঙ্কৰে বুলিবে লৈলা,
দৌল এক বান্ধিবাক মন।
সমীপতে ফাগু ভৈল, সন্ধ্যা আমাত কৈল,
ভুঞাসৱ কৰিয়ো যতন ॥ ১৬৩৩"

এইদৰে নাম-কীৰ্ত্তনত ৰত হৈ শাস্ত্ৰ-ৰচনাত মন দিবৰ বাবে শঙ্কৰদেৱে বিষয়-সম্পত্তি জয়ন্ত-মাধৱক ভগাই দিবৰ দিহা কৰাত তেওঁলোকে বুদ্ধি কৰি ১৪৭১ ত হৰিখাৰ জীয়েক সূৰ্য্যৱতীৰ সৈতে শঙ্কৰদেৱৰ বিয়া পাতি দিয়ে (১৬৫৩-৮০ পদ)। ৰামানন্দৰ মতে কিন্তু যেতিয়া "শঙ্কৰৰ ভৈলা পঞ্চবিংশতি বৎসৰ।—

"শঙ্কৰদেৱক ভূঞা পাতিবাক মনে। বঙ্গমনে একস্থান ভৈলা সৰ্ব্বজনে॥
পৰম পণ্ডিত এন্তে জানন্তা ধৰ্মক। মহা সন্ত শিষ্ট নকৰিব অন্যায়ক॥
শুনিয়া শঙ্কৰদেৱে বুলিলন্ত বাক। তোমাসৱে বোলা মোক ৰাজ্য চৰ্চ্চিবাক॥
ইসৱ কাৰ্য্যত মোৰ নাহি প্ৰয়োজন। তোমাসাৰ বাক্য ৰাখি কৰিবোঁ চৰ্চ্চন॥
বিষয়ত ইচ্ছা নাই শঙ্কৰ দেৱৰ। তথাপি চৰ্চ্চিলা ৰাজ্য আগ্ৰহে লোকৰ॥"

অনিচ্ছাসত্ত্বেও শিৰোমণি ভূঞা ৰাব লৈ শঙ্কৰদেৱে যে সেই বিষয় অতি উপযুক্তভাৱে আৰু বিশেষ প্ৰতিপত্তিৰে চলাইছিল, ৰৰদোৱাৰ টেম্বুৱানী জান বন্ধা প্ৰসঙ্গত ৰামচৰণে দিয়া বৰ্ণনাৰ পৰাই বুজিব পাৰি (১৬৭১-৭৩ পদ)।

"এহিমতে সৱ লোকে কাষ্ঠক কাটয়। সেহি বিলাতৰ যত বিপ্ৰ আছিলয়॥
কপিলীৰ হন্তে চামধৰা সীমা কৰি। ভূঞাসকলৰ দূতগণে নেই ধৰি॥
শিঙ্গৰীৰ হন্তে উত্তৰৰ সীমা কৰি। ভূঞাসৱে লোক যত আসিলা হুঙ্কাৰি॥
হাজাৰ দশেক লোক ভৈত এক ঠাই। আনিলা ব্ৰাহ্মণগণ দূতক পঠাই॥
শঙ্কৰে বোলন্ত আৰ চাইবা নালাগে। মাটি কাটি চাঙ্গি ভৰি বুন্দা দেউক আগে॥"

১৪৭২ খৃঃত পুহৰ আঠ দিনত শঙ্কৰদেৱৰ ভাৰ্য্যা সূৰ্য্যৱতীয়ে কন্যা মনুৰ জন্ম দি, ১৪৭৩ খৃঃৰ আহিনৰ দুদিনত বুধবাৰে দুই দণ্ড বেলা ভাটি দিয়াত মৃত্যুৰ মুখত পৰে (১৭৪০-৬২ পদ)। কেচুৱাতে পিতৃ-মাতৃৰ, আৰু বিয়াৰ দেড়-দুই বছৰৰ ভিতৰতে পত্নীৰ হানি, এই সকলো ঘটনাই বুদ্ধদেৱৰ বাবে হোৱাৰ দৰে "পুৰ্ব্বনিমিত্ত" হৈ শঙ্কৰদেৱৰ বিষয়ত বিৰক্তি বঢ়ালে (১৮১৮-৩৭ পদ)—

"শঙ্কৰে বোলন্ত বিলম্বত কাৰ্য্য নাই। তিনি পিতামহ তাকো আনিলা মতাই॥
ক্ষেত্ৰক যাইবাক মোৰ হুয়া আছে মন। মনুৰ বৰক লাগি কৰিয়ো যতন॥
ৰামচন্দ্ৰ কায়স্থৰ আছয় কুমৰ। তাঙ্ক বিহা দেওঁ কন্যা সাত্ত বৎসৰৰ॥
শঙ্কৰে বোলন্ত কালি বৃহস্পতিবাৰ। আঘণ মাসতে বিহা দিবোঁ নিষ্টে তাৰ॥"

ভূষণ (১২৩-২৭ পদ) আৰু ৰামানন্দয়ো (২০০-০৯ পদ) এইখিনি কথা প্ৰায় একেদৰেই লিখিছে, কিন্তু এওঁলোকৰ মতে মনুৰ বিয়াৰ পাছতহে মাক

সূৰ্য্যৱতীৰ মৃত্যু ঘটে; তদুপৰি আচৰিত কথা, ৰামানন্দই শঙ্কৰদেৱৰ জীয়েকক হৰিপ্ৰিয়া আৰু জোঁৱায়েকক ভুলকৈ মন্থ বুলিছে। ভূষণ দ্বিজে লিখিছে—

"ভৈলন্ত উদাস পাছে শঙ্কৰৰ মন।" (১২৪ পদ)

আৰু ৰামচৰণৰ মতে, মহেন্দ্ৰ কন্দলী, ৰামৰাম গুৰু আদি অনেক লগৰীয়া লৈ তেন্তে ১৪৭৯ ত শঙ্কৰদেৱে প্ৰথম বাৰ দেশ-ভ্ৰমণ কৰে, আৰু তেওঁ ইয়াৰ বিশদ বিৱৰণ দিছে (১৮৩৭-৫৬ পদ)। ভূষণ (১২৮-৩৫ পদ) আৰু ৰামানন্দয়ো (২১০-১৩ পদ) এই বৰ্ণনা সম্পূৰ্ণ সমৰ্থন কৰি গৈছে; আৰু শ্ৰীক্ষেত্ৰৰ জগন্নাথ মন্দিৰত ব্ৰহ্মপুৰাণৰ ব্যাখ্যা আদিৰ বাবে শঙ্কৰদেৱৰ প্ৰতি উড়িষ্যাৰ পণ্ডিত সমাজৰ সাদৰ ভক্তি তাত থকা পাঁচ মাহ কাল দিনক দিনে বাঢ়িছিল বুলি তিনিও লিখিছে। ৰামানন্দত (২১৯-২১ পদ)—

"মাস চাৰি পাঞ্চ তাত কৰিলা বঞ্চন। মহন্ত বুলিয়া সৱে কৰে আদৰণ॥
ব্ৰহ্মপুৰাণত জগন্নাথৰ মহত্ত্ব। পাণ্ডা সমস্তৰ আগে কৰন্ত বেকত॥
যতেক পণ্ডিত আছে ওড়েৰাপুৰৰ। তত স্নেহ বাঢ়ি গৈল লগে শঙ্কৰৰ॥
পাণ্ডাগণ ৰাত্ৰি-দিন থাকয় লগত। শঙ্কৰৰ ভাৱ দেখি উৎসুক মনত॥
ৰাত্ৰি-দিনে শাস্ত্ৰ ব্যাখ্যা কৰিয়া থাকন্ত। ক্ষেত্ৰবাসী লোকে শুনি অমৃত পীয়ন্ত॥"

শঙ্কৰদেৱৰ এই প্ৰথম দেশ-ভ্ৰমণৰ কালৰ (১৪৭৯-৮১ খ্ৰঃ) ভিতৰত চৈতন্য-দেৱৰ (১৪৮৫-১৫৩৩ খ্ৰঃ) জন্ম নৌ হয়; অথচ ৰামানন্দই এইবাৰতে শঙ্কৰদেৱ-চৈতন্যদেৱৰ মিলনৰ (২২১-২৮ পদ) বৰ্ণনা কৰিছে। ইয়াৰ পৰাই ৰামানন্দৰ গুৰুচৰিত কিম্বদন্তিমূলক গতিকে নিৰ্ভৰযোগ্য নোহোৱাৰ স্পষ্ট প্ৰমাণ পোৱা হয়।

পুৰী শ্ৰীক্ষেত্ৰ এৰি শঙ্কৰদেৱ বৃন্দাবনলৈ আৰু তাৰ পৰা উত্তৰ-বাহিনী গঙ্গা চাই যেতিয়া বৰাহ ক্ষেত্ৰলৈ আহে, "তেৱে আসি ভৈলা তান চল্লিশ বৎসৰ। ২০৫৩।" গতিকে ইয়াৰ পৰা, দেঢ়-কুৰি বছৰ বয়সত শঙ্কৰদেৱ প্ৰথম দেশ-ভ্ৰমণত ওলাই অহা কথা সম্পূৰ্ণ সমৰ্থিত হয়। তাৰ পাছত প্ৰয়াগ, পুষ্কৰিণী আদি ঘূৰি মথুৰাত ছমাহ থাকি লগৰীয়াই "আমাক দেখায়ো বাপ দ্বাৰকা নগৰ" বোলাত শঙ্কৰদেৱে ১৪৯০ খ্ৰঃৰ বহাগ বিহুৰ দিনা দ্বাৰকালৈ গমন কৰে (পদ, ২০৬৩-৬৮) তাৰ পাছত গোকুল সোমাই ১৪৯১ খ্ৰঃত শঙ্কৰদেৱে "দ্বাদশ বৎসৰ তীৰ্থ ফুৰিলন্ত। অনন্তৰে আসি নিজ মন্দিৰ পাইলন্ত। ২১২৯।" ৰামানন্দই ইয়াৰ বাহিৰেও শঙ্কৰদেৱৰ সেতুখণ্ড, বাৰাণসী আৰু বদৰিকাশ্ৰমৰ ভ্ৰমণ-কাহিনী (২২৯-৩৩ পদ) বৰ্ণাইছে।

ৰামচৰণৰ মতে দেশ-ভ্ৰমণৰ পৰা উলটি অহাৰ পাছত প্ৰথম লাগতিয়াল ঘটনা জয়ন্ত-মাধৱৰ উপদেশ মতে ৰামভূঞাৰ জীয়েক কালিন্দ্ৰীৰ লগত শঙ্কৰদেৱৰ দ্বিতীয় বিবাহ (২১৩৯-৪০ পদ); আৰু দ্বিতীয় আৰু প্ৰধান ঘটনা হল জয়ন্ত-মাধৱৰ একান্ত অনুৰোধত সাম্প্ৰতিকভাৱে গোমস্তা হলেও এতিয়া শঙ্কৰদেৱ ধৰ্মপ্ৰচাৰৰ বাবে সম্পূৰ্ণ সাজু হয় (২১৪৯-৫১ পদ)। আচৰিত কথা, আগৰে পৰা ভূষণ দ্বিজৰ এইখিনি পদ (১৫৪-৫৯) ৰামচৰণেৰে একে ঃ—

"জয়ন্ত মাধৱ দুয়ো প্ৰিয়বাক্যে আশ্বাসিয়া
সম্বুধি বুলিলা শঙ্কৰক।
তোমাৰ পিতৃৰ লোক তোমাতে খাটোক বাপ,
চৰ্চ্চিয়োক পূৰ্ব্ব বিষয়ক ॥
শঙ্কৰে বোলন্ত মোক নলাগে পিতৃৰ লোক,
প্ৰয়োজন নাহিক আমাৰ।
পঢ়িলোঁহো শাস্ত্ৰ দুখে, গৃহত বহিয়া সুখে
কৰিবোঁহোঁ অৰ্থক বিচাৰ ॥ ১৫৪
তথাপিতো দুয়োজনে বুলিলন্ত বহু মান্যে
পূৰ্ব্বাপৰ কৰিয়া ব্যৱস্থা।
এক শত তাম্ৰীগিৰি দিয়া তাত অধিকাৰী
শঙ্কৰক পাতিলা গোমস্তা ॥ ১৫৫
শঙ্কৰে বোলন্ত ভাই, শুনিয়োক ৰামৰায়,
দেৱগৃহ সাজিয়ো যতনে।
হেন কথা শুনিলন্ত, সত্ৰ-গৃহ সাজিলন্ত
ৰামৰাম মহাৰঙ্গ মনে ॥
ৰাম ৰাম গুৰু সঙ্গে সেহি গৃহে বসি ৰঙ্গে
ভাগৱত কৰিলা বিচাৰ।
তত্ত্ব-মৰ্ম্ম জানিলন্ত, মনে খেদ কৰিলন্ত,
মায়াময় অনিত্য সংসাৰ ॥ ১৫৯"

ত্ৰিহুটৰ পৰা জগদীশ মিশ্ৰ নামে এজন পণ্ডিত দুমাহে বাটকুৰি বাই আহি পুৰীৰ জগন্নাথৰ আদেশ মতে বৰদোৱাত শঙ্কৰদেৱৰ আগত বাৰ স্কন্ধ ভাগৱত পাঠ কৰা কথা ৰামচৰণ (২১৫৮-৫৯ পদ) আৰু ভূষণ (১৬৪-৬৫ পদ) দুয়ো

লিখিছে। এই কাহিনীৰ পৰা ডাল-জোৰা দি দৈত্যাৰিয়ে তেতিয়াৰ পৰাহে শঙ্কৰদেৱে কীৰ্ত্তন, চপয়, ভটিমা আদি ৰচে বুলি কল্পনা কৰে ( ৯৩-৯৭ পদ )। এনে কথা যে প্ৰমাদজনিত তাক তেওঁৰ পিতাক ৰামাচৰণৰ পদেই প্ৰমাণ কৰে। জগদীশ আহিছিল নবীনৰূপে প্ৰবীণৰ বা শিষ্যৰূপে গুৰুৰ কাষত নিজ ভাগৱত-পাণ্ডিত্যৰ পাৰ-পত্ৰ পাবলৈ; তলৰ বিৱৰণৰ পৰা সি স্পষ্ট হয় (২১৭৫-৮২ পদ)—

"শঙ্কৰ বদতি শুনা বিপ্ৰ মহাশয়। জগন্নাথ দয়া মোত সম্পূৰ্ণ আছয় ॥
কালি আৰম্ভিবা মহাগ্ৰন্থ ভাগৱত। গীত-পদ কৰি মই আছোঁহো পূৰ্ব্বত ॥
তাত কৰি অৰ্থ কিবা বিলক্ষণ হয়। শুনিবাক মোৰ মহা আনন্দ আছয় ॥
এত হন্তে ভক্তসৱ আসিয়া মিলিলা। দেৱগৃহে পশি মহা নাট আৰম্ভিলা ॥
যিসৱ অৰ্থক কহে গীতা-ভাগৱতে। সৱ অৰ্থ ব্যক্ত হুয়া আছয় গীততে ॥
হাতে তাল ধৰি গীত গায়নে গাৱয়। শঙ্কৰৰ গীত শুনি হইলা বিস্ময় ॥
অনন্তৰে নাম ধৰিলন্ত ভক্তগণে। অমৃত বৰিষে যেন ব্ৰাহ্মণৰ মনে ॥
কীৰ্ত্তন কৰয় পালী ঘোষাক গাৱয়। ওঝা পদ বোলে যেন অমৃত সিঞ্চয় ॥
কীৰ্ত্তনক সমাপিয়া গৃহে চলি গৈলা। ৰঙ্গমনে বিপ্ৰে শয্যাত শুতিলা ॥
শঙ্কৰে হৰিষে পাছে শয্যাত শুতিলা। ৰজনী প্ৰভাত জানি শয্যাৰ উঠিলা ॥
স্নান কৰি বসিলন্ত দেৱৰ মন্দিৰে। ভাগৱত পাঠ আৰম্ভিলা বিপ্ৰবৰে ॥
প্ৰথম স্কন্ধৰ পৰা পৰা দ্বাদশ পৰ্য্যন্ত। পঢ়িলন্ত বিপ্ৰে ব্যাখ্যা কৰি ভাগৱত ॥
পৰম হৰিষ মনে পঢ়ে বিপ্ৰবৰ। দোষণ সিদ্ধান্ত দেন্ত আপুনি শঙ্কৰ ॥
মহাগ্ৰন্থ ভাগৱত তত্ত্বক বিচাৰি। শঙ্কৰে কৰিছে পদ মহা যত্ন কৰি ॥

১২২৮ত চুকাফাৰ নেতৃত্বত আহোমৰ যাৰণ পূব ফালৰ পৰা আৰম্ভ হোৱাৰ লগে লগে চুটিয়া, কছাৰী, বাৰভূঞা, কোচ আদিৰ যি গৃহযুদ্ধ আৰম্ভ হয়, তাৰ উল্লেখ আগতে কৰি অহা হৈছে। বৈষ্ণৱ যুগত সেই গৃহ-যুদ্ধবোৰৰ ফলাফল সম্পৰ্কে যাইকৈ চৰিত-পুথিৰ পোহৰত ওলোৱা প্ৰাসঙ্গিক ঘটনাখিনিও উল্লেখ কৰি থোৱা নিতান্ত আৱশ্যক। ৰামচৰণৰ মতে ১৪৫০ খৃঃৰ আহিনত অৰ্থাৎ শঙ্কৰদেৱ তেৰ মহীয়া হওঁতেই ভূঞা ৰাজ্যত আলিপুখুৰীয়ে সৈতে কছাৰীৰ যাৰণ আৰম্ভ হয় ( ১০২৪-৩৩ পদ )। ৰামানন্দয়ো এই কিৰাট বা কছাৰীৰ যাৰণ বৰ্ণাইছে ( ১৪৭-৫২ পদ ), কিন্তু তাত শঙ্কৰদেৱৰ ডেকা বয়সত বল-বীৰ্য্য আৰু ভাগৱত আৰু গীতা পুথি পোৱা কথা উল্লেখ কৰিছে ( ১৪৭-৫৭ পদ )।

দৈত্যাৰিয়ে এই কাহিনীকে ভাগৱতৰ সলনি কীৰ্ত্তন-ঘোষাৰ কথাৰে বৰ্ণাইছে (৯৮-১০৬ পদ) আৰু কিৰাট বা কছাৰীৰ লগত আসাম বা আহোমৰ খেলি-মেলি কৰিছে (৯৮-১৬৫)।

এইখিনিতে অৱশ্যে দৈত্যাৰিয়ে কছাৰীৰ মাৰণক আহোমৰ মাৰণৰ সৈতে সানি-পুতকি পেলাইছে; আহোমৰ মাৰণ নিশ্চয় ইয়াৰ বহুত পাছত। এই কছাৰী মাৰণ কেতিয়া হৈছিল বা শঙ্কৰদেৱ গাঙ্গমুখ বা গাঙ্গমৌলৈ কেতিয়া আহিছিল, সঠিক কৰা টান; সম্ভৱ ১৫১৫ খৃঃৰ আগত শঙ্কৰদেৱ বৰ্ত্তমান বিহালীৰ ওচৰৰ গাংমৌলৈ আহে; তাৰ পৰা ধুৱাহাটলৈ কিয় আৰু কেতিয়া উঠি গল, ৰামানন্দই লিখিছে (৩:৪-১৯ পদ)

"এহিমতে গাঙ্গমুখে আছে বঙ্গমনে। শুনা ধুৱাহাটক গৈলন্ত যি কাৰণে॥
দুৰ্ল্লভনাৰায়ণ কমতাৰ অধিপতি। তান মৃত্যু ভৈল একো নবৈল সন্ততি॥
ৰাজাৰ বিনাশে দুখ ভৈল সমস্তৰ। অন্যে অন্যে কৰে যুদ্ধ লোক নিৰন্তৰ॥
কটাকটি কৰি মৰে নিমিত্তে ৰাজ্যৰ। এহিমতে বহি গৈল দ্বাদশ বৎসৰ॥
অৰাজক দেখি জগতৰ চিন্তি ছিত। উপজিলা পুত্ৰ হৈয়া কুৱচ নাৰীত॥
অপ্ৰয়াসে কৰি বশ্য প্ৰজা সমস্তয়। ভুঞা সমস্তক মাৰি নিবাক খোজয়॥
সেহি ভয়ে শঙ্কৰ সহিতে প্ৰজা জাক। ব্ৰহ্মপুত্ৰে উজাইলন্ত ধুময়াহাটাক॥"

১৫১৫ ত বিশ্বসিংহ ৰাজপাটত উঠে আৰু ইয়াৰ পাছতে ভুঞাসকল ধুৱাহাটলৈ উঠি আহে বুলি বুজিব পাৰি। তেন্তে যি কছাৰীৰ মাৰণত শঙ্কৰদেৱে টেম্বুৱানী বৰদোৱাৰ পৰা গাঙ্গমুখলৈ উজাই আহে, সেই কছাৰীৰ মাৰণ, ওপৰত অনুমান কৰা মতে, পঞ্চদশ শতিকাৰ শেষভাগ বা ১৫১০ খৃঃ মানত হব পাৰে।

বৰ্ত্তমান মাজুলীৰ আহতগুৰিৰ ওপৰত এই ধুৱাহাটতে শঙ্কৰদেৱৰ জীৱনৰ শ্ৰেষ্ঠতম কাহিনী, মাধৱদেৱৰ লগত মিলন, সংঘটিত হয়। এই মিলনৰ পাছৰ পৰা শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্মৰ তেজ অনেক গুণে বাঢ়ে।

ইয়াৰ পৰা বুজিব পাৰি টেম্বুৱানি বৰদোৱা, গাঙ্গমুখ আৰু ধুৱাহাটত থকাৰ ভিতৰতে কীৰ্ত্তন-ঘোষাৰ অন্ততঃ প্ৰহ্লাদ-চৰিত্ৰ আৰু কংস-বধ পৰ্য্যন্ত শঙ্কৰদেৱে ৰচনা কৰি আঁতাইছিল। "চৌদ্দয় বছৰ আছে ধুৱাহাটা থানে। ২৪২৯।" যি ঘাই কাৰণত শঙ্কৰদেৱ ধুৱাহাট এৰি যাব লগা হৈছিল সি হল আহোম বজাই হাতী-ধৰা প্ৰসঙ্গত অবিবেচনাৰে হৰি জোঁৱাইৰ মৃত্যু কটোৱা; ৰামচৰণ (২৩৮৩-

৯৫) আৰু দৈত্যাৰি (৪১৪-২৭ পদ) উভয়েই এই কাহিনী হুবহু বৰ্ণাইছে; দ্বিতীয় কাৰণ ৰামচৰণে কৈছে (২৪৩০-৪১)—

"নৰনাৰায়ণ নামে আছে এক ৰজা। পৰম পণ্ডিত ধৰ্ম্মপথে পালে প্ৰজা ॥
শুক্লধ্বজ নামে তান ভাই শুভময়। ধুঞাহাটা হন্তে শুনে লোক সমস্তয় ॥
গীত-কবিত্ব গুণ শুনিয়া ৰাজাৰ। তান ৰাজ্যে যাইবে মন সমস্ত প্ৰজাৰ ॥
নৰনাৰায়ণ ভৈলা কামৰূপে ৰাজা। আপনি বৰিল সৱে অসমৰ প্ৰজা ॥
শঙ্কৰে বোলন্ত মই ই গ্ৰাম এৰিবোঁ। এহি সময়ত শীঘ্ৰে কামৰূপে যাইবোঁ ॥
সমস্ত লোকত গাঁৱে গাঁৱে জান দিলা। ভকতসকলে শীঘ্ৰে নাৱক সাজিলা ॥"

দৈত্যাৰিৰ মতে "সেহি সময়ত নৰনাৰায়ণ ৰজা। মাৰিবে অসম ৰাজ্য গৈল সাজি প্ৰজা ॥ ৪৩৯।" বুৰঞ্জীৰ মতে ১৫৪০ ত নৰনাৰায়ণ ৰাজপাটত উঠি ১৫৪৬ ত আহোম ৰাজ্য মাৰে; "বাঢ় ভূঞা সম বীৰ নাহি ত্ৰিভুবনে। ২৪১৮।" কাৰো কাৰো মতে কোচৰ মাৰণত ভূঞাসকল সহায় হৈ আছে। যেনেকৈয়ে হওক, ১৫৪০ খৃঃৰ পাছতে প্ৰায় ৯১ বছৰ বয়সত শঙ্কৰদেৱে নামনি অসম আৰু কোচবেহাৰৰ ফালে মু কৰে; তেন্তে ৰামচৰণৰ মতে চৈধ্য বছৰ ধুঞাহাটত থাকিলে ১৫২৬ মানত শঙ্কৰদেৱে গাংমৌ বা গাঙ্গমুখ এৰি আহে। সি যি হওক, মাধৱদেৱৰ লগত মিলন হোৱা ঘটনাৰ উপৰিও ধুঞাহাটতে শঙ্কৰদেৱৰ প্ৰচাৰিত নতুন ধৰ্ম্মমত সম্পৰ্কে আহোম ৰজাৰ ওচৰত বিচাৰ হয় আৰু শঙ্কৰদেৱে তাত জয়ী হৈ ৰজাৰ প্ৰশংসা পায় (২৪২০-২৮ পদ)। দৈত্যাৰিৰো এই বিৱৰণ (৪২৮-৩৯) হুবহু একে। ৰামচৰণত (২৬৩৭-৩৮)—

"ধুঞাহাটা বিলাতে আছোঁ আমি সুখে। শুনিলোঁহো পাছে এক মনুষ্যৰ মুখে ॥
লোহিতৰ সিপাৰত ডাক দিয়া গৈল। কোচ মাৰ্না আইল হেৱা আমাত কহিল ॥
আকাশী বচন যেন তাহাৰ শুনিলোঁ। সি কাৰণে আমি ইটো ৰাজ্যক আসিলোঁ ॥"

তেনেহলে ১৫৪৬ত নৰনাৰায়ণৰ আক্ৰমণত শঙ্কৰদেৱ ভটিয়াই যোৱাই সঠিক হয়। ধুঞাহাট এৰাৰ আগতে শঙ্কৰদেৱৰ পুত্ৰ-পুত্ৰী (২৩৪৪-৪৬)—

"অনন্তৰে শঙ্কৰৰ পুত্ৰ উপজিল। হৰিচৰণ নাম তাক আনন্দতে দিল ॥
তাত অনন্তৰে ৰুক্মিণীয়ো জন্মিলন্ত। ৰূপ দেখি নাম তান শঙ্কৰে দিলন্ত ॥
তিনি পুত্ৰ দুই জীউ ভৈলা শঙ্কৰৰ। দেখি সন্তোষিত যত সমস্ত ভক্তৰ ॥
বড় ভৈল ৰামানন্দ কমললোচন। মধ্যম ভৈলন্ত ইটো হৰি যে চৰণ ॥"

"ইটো কথা ধুঞাহাটা গ্ৰামত নিশ্চয় ।২৩৮৩," তাৰ পৰা ভটিয়াই আহোঁতে

শঙ্কৰদেৱে ক'ত কেনেকৈ বৈ আহিছিল ৰামচৰণে (২৪৪১ পদৰ পৰা) বিতংকৈ কৈছে। "থাগবিকটা এৰাই কলিয়াবৰ পাইলা ; ২৪৪১।" তাৰ পাছত—

উত্তৰত সিঙ্গৰী দক্ষিণে বৰদোৱা। সেহি থানে আছিলন্ত জানা বাৰভূঞা ॥
ভক্তি প্ৰকাশিতে কামৰূপে আছে মন। সেহি হেতু সুঠিলন্ত বৰদোৱা থান ॥
কপলা নামে বিল জগতে প্ৰখ্যাত। ছয় মাস শঙ্কৰেয়ো ৰক্ষিলন্ত তাত ॥
মাধৱদেৱৰ মাতৃ পুৰলোকে গৈলা। কপলা বিলৰ তীৰে চিতাক সাজিলা ॥
"গয়াজান এৰাই বৰপেটা বিল পাইলা।" "আছে চুণ পৰা বৃক্ষ উচ্চ্ৰিত ডাঙ্গৰ ॥"
হাবি কাটি মুকলি কৰিল সিটো ঠাই। বাৰাদীৰ পৰা মাধৱেও তৈক যাই ॥

ধুৱাহাটত মাধৱদেৱৰ লগত মিলন হোৱাৰ দৰে, এই চুণপৰাতো এজন বিশিষ্ট শিষ্য নাৰায়ণ আতাক (ভৱানন্দ সাউদ) শঙ্কৰদেৱে লাভ কৰে। মাধৱদেৱৰ লগত ঘটা মিলন কাহিনীৰ দৰেই নাৰায়ণৰ লগত হোৱা মিলনো অতি ৰহস্যপূৰ্ণ-ৰূপে ৰামচৰণে (২৪৯৩-২৫৩১ পদ) বৰ্ণাইছে।—

ধুৱাহাটা গ্ৰামে পূৰ্বে আছিলা শঙ্কৰ। গীতত ৰসিক এক ব্ৰাহ্মণ ভাস্কৰ ॥
শঙ্কৰৰ কৃত গীত গাইলা নানা মত। পৰম বৈৰাগ্য ভৈল বিপ্ৰৰ মনত ॥
আছন্ত শঙ্কৰ কৃষ্ণ অংশ অৱতাৰ। পদবন্ধে ভাগৱত কৰিলা প্ৰচাৰ ॥
কৃষ্ণৰ ভকতি পন্থ কৰিছা বেকত। নামৰ কীৰ্ত্তন কৰি তৰয় জগত ॥
বাৰাদীৰ সমীপক পাইলন্ত যাই। তিনিখন নাও আছে পানী ভঠিয়াই ॥
শঙ্কৰদেৱৰ গীতে পৰম হৰিষে। ভণিতাৰ সমে গায় নাৱৰ মানুষে ॥
শঙ্কৰদেৱৰ ভণিতাক শুনিলন্ত। নাও ৰাখি নাৰায়ণে বাৰ্ত্তা পুছিলন্ত ॥

তাৰ পৰা বুজিব পাৰি অন্ততঃ ধুৱাহাটত থকা কালৰ পৰাই শঙ্কৰদেৱৰ গীত-পদ বিয়পি পৰি ভক্তসকলক চাৰিও ফালৰ পৰা টানি আনিছিল। আগতে উল্লেখ কৰা পীতাম্বৰ কবিৰ প্ৰসঙ্গত এই মুহূৰ্ত্ততে উত্থাপিত (২৫২১-২৪)—

নাৰায়ণো বসিলন্ত পুছিলা শঙ্কৰ। ইটো ৰাজ্যে উত্তম আছয় কোন নৰ ॥
নাৰায়ণে কহিলন্ত চৰণত সেৱি। আছে একজন পীতাম্বৰ নাম কৱি।
শঙ্কৰে বোলন্ত কেনে কবিতা কৰয়। গোৱাঁ নাৰায়ণ শুনো গীতৰ অন্বয় ॥
শুনি নাৰায়ণে পাছে সুমৰি মনত। কৱিকৃত গীত গান্ত শঙ্কৰ আগত ॥
বিলাপ কৰিয়া কান্দে দেৱী ৰুক্মিনী। কোন অঙ্গ খুন দেখি নাইলা পদ্মপাণি ॥
আৰ গাইবে নেদিলা শঙ্কৰ মহামতি। জানিলোঁহো নাৰায়ণ সিটো অল্পমতি ॥
গীততে জানিলোঁ কাম-বশ্য সিটো জন। আন কোন আছে কহিয়োক নাৰায়ণ ॥

ৰামানন্দয়ো এই ঘটনা অবিকৃতভাৱে স্বকীয়াকৈ বৰ্ণাইছে (৮০১-০৩)—

শঙ্কৰ বদতি নাৰায়ণ শুনিয়োক। ঐত কোন আছে হৰি-পৰায়ণ লোক॥
নাৰায়ণ কন্ত তান নাম পীতাম্বৰ। কৰিছন্ত পদ তেন্তে দশম স্কন্ধৰ॥
শঙ্কৰে বোলন্ত নাৰায়ণ মহাশয়। তাহান কবিতা মুখে আসে কি নাসয়॥
নাৰায়ণ ঠাকুৰে পাছে গাইবাক লাগিলা। যেন মতে ৰুক্মিণীয়ে কৃষ্ণক ভাবিলা॥
শুনিয়া বোলন্ত আৰ গাইবে নলাগয়। গৰ্ব-পৰ্বতত সিটো উঠিয়া আছয়॥
ধৰ্ম ধৰিবাৰ সিটো নোহে যোগ্য লোক। আন কোন আছে নাৰায়ণ কহিয়োক॥

এওঁক পাই "শঙ্কৰে বোলন্ত তুমি শুনিয়ো মাধৱ। ভক্তৰ কঠিয়া ঐত পাইলোঁহো বান্ধৱ॥ ২৭৮৩।" তাৰ পাছতেই মাধৱদেৱৰ মাকৰ আদ্য তিথিৰ আয়োজন (২৭৮৫-৯২)। তেন্তে চিহ্ন-যাত্ৰাৰ দৰেই **পত্নী-প্ৰসাদ** নাটো এই উপলক্ষত বিশেষ সফলতাৰে অভিনীত হৈছিল। তদুপৰি নাৰায়ণ আতাই তেওঁৰ পৰিয়ালক শৰণ লগাবৰ বাবে **ভক্তিপ্ৰদীপ** পুথি খুজি নিয়ে—

পুথি একখানি দিয়ঁ। মোক জানি মাথে বান্ধি লই যাঞ।
হে প্ৰাণনাথ চৰণত মাগোঁ। হেনয় প্ৰসাদ পাঞ॥
নিজগৃহে গই পুথি আগে থই সৱে পৰিয়ালগণ।
উপবাস কৰি দণ্ডৱতে পৰি কৰিবোঁ তাত শৰণ। ২৮১৩।
শুনি নাৰায়ণে আদৰি তেখনে অমোঘ প্ৰসাদ লৈলা।
দেৱ-নিৰাৱণী গৰুড় পুৰাণি ভকতি-প্ৰদীপ দিলা॥ ২৮১৯।

তাৰ পাছত মাধৱদেৱে গণককুচিত আৰু শঙ্কৰদেৱে ওচৰা-উচৰিকৈ পাটবাউসীত বাস কৰিবলৈ লজে (২৮৪১-৩৬ পদ); তাৰ আগতে কুমাৰপাৰত শঙ্কৰদেৱৰ কন্যা বিষ্ণু ঢুকায় (২৮৪৩ পদ)। পাটবাউসীলৈ অহাৰ আগতেই শঙ্কৰদেৱে **দশম-ভাগৱত** ৰচনা কৰে, আৰু নাম-ঘৰত তাৰ পাঠ আৰু ব্যাখ্যা চলে:

আপোনাৰ ঘৰখানি দক্ষিণ প্ৰান্তৰে। কৃষ্ণৰ মন্দিৰ ভৈলা তাহাৰ উত্তৰে॥২৮৬৪।
কৃষ্ণৰ মন্দিৰে সৱে বসি থাকে তথা। শঙ্কৰে আনন্দ মনে কৰে কৃষ্ণ কথা॥২৮৬৮।
নামৰ কীৰ্ত্তন কৰি সমৰ্পিয়া থৈল। দশম পয়াৰ মেলি পঢ়িবে লাগিল॥ ২৮৭৮।

ধুঞাহাটত মাধৱদেৱে আৰু চুণপৰাত নাৰায়ণ ঠাকুৰক লাভ কৰাৰ দৰে পাটবাউসীত শঙ্কৰদেৱে দামোদৰক নিজ ভক্তৰূপে লাভ কৰে (ৰাম, ২৯৫২-৮৭)। ১৫৪৬ খৃঃত কোচৰ মাৰণত ধুঞাহাট এৰি ভটিয়াই অহাটো হলে তেতিয়া শঙ্কৰদেৱৰ বয়স ৯৭ বছৰ, আৰু ১৫৪০ত নৰনাৰায়ণত ৰাজপাটত উঠা

দেখিয়েই অহাটো হলে ৯১ বছৰ হয়। তাৰ পাছত কপলাত আৰু চূণপৰাত ছমাহকৈ থাকি পাটবাউসীত এবছৰ বসতি কৰাব পাছতো দ্বিতীয় বাৰ দেশ পৰ্য্যটন কৰিবলৈ ওলোৱা কথা মানিলে শঙ্কৰদেৱৰ ৯৯ বা ৯৩ বছৰ বয়সত পৰে। ই স্বাভাৱিক নহয় দেখি আৰু আটাইকেইখন পুৰণি চৰিত আৰু সন্ত-সকলে মুখেৰে তোলা চৰিত মতেও দ্বিতীয়বাৰ দেশভ্ৰমণৰ কথা কয় বাবে, লক্ষ্মীনাথ বেজবৰুৱাই নৰনাৰায়ণৰ কোচৰ মাৰণ তথা ৰাজপাটত উঠা কালটোত সন্দেহ কৰি বৰদোৱাৰ পৰৱৰ্তী চৰিত-পুথি এখনৰ মতে লেখ কৰি সেই কাল ১৫ বছৰমান পিছুৱাব খোজে। এনে কৰিবলৈ বিচৰাত বেজবৰুৱাৰ আন দুটা বিচাৰ হল ১৫৩৪ খৃঃত ঢুকোৱা চৈতন্যদেৱক চৰিতমতে এই দ্বিতীয়বাৰ তীৰ্থ-ভ্ৰমণত পুৰীত শঙ্কৰদেৱে লগ পোৱা, আৰু ভৱানন্দ সাউদে শঙ্কৰদেৱৰ "চাৰি শৰণ" ধৰাৰ আগতে চৈতন্যদেৱৰ "ষোল নাম" লবৰ দিহা কৰা অৰ্থাৎ বঙ্গীয় বৈষ্ণৱ ধৰ্ম নামনি অসমত প্ৰচাৰিত হবলৈ আৰম্ভ কৰাৰ কাল মিলোৱা। কিন্তু চৈতন্যদেৱক লগ পোৱাৰ নিচিনা একোটা ধাৰ্মিক কিম্বদন্তীৰ বাবেই তিনিশ দুশ বছৰৰ পাছৰ এখন চৰিতৰ ওপৰত ভৰ দি বিজ্ঞানসম্মত বিচাৰৰ এটা লাগ-তিয়াল ঐতিহাসিক সময় পৰিবৰ্তিত কৰিব পাৰি বুলি কব নোৱাৰি; ইহাতেও প্ৰথমৰ বাৰ বছৰীয়া সুদীৰ্ঘ আৰু সুসমাপ্ত তীৰ্থভ্ৰমণৰ পাছত দ্বিতীয় বাৰ তীৰ্থ ভ্ৰমণ কৰিবলৈ যোৱা কথাহে অস্বাভাৱিক যেন লাগে। সি যি হওক, ৰামচৰণে (৩১৪৬-৩৪০৭ পদ) গতানুগতিকভাৱে ইয়াৰ বৰ্ণনা দিছে।

কৰি সাৰোদ্ধাৰ **জনমযাত্ৰাৰ** অঙ্ক কৈলা নিৰন্তৰে ॥
কৰিয়া প্ৰৱন্ধ **একাদশ স্কন্ধ** পদ কৰিলন্ত পাছে ॥
উদ্ধৱ বিদুৰ **তৃতীয় স্কন্ধৰ** সম্বাদ দেখিয়ো তাক।
কৰিয়োক মন পাণ্ডৱ নিৰ্যান **প্ৰথম স্কন্ধত আৰু** ॥
তিনি স্কন্ধ চাই বিচাৰিয়া পাই এক স্কন্ধে সেহি কথা।
বাচকবনীয়া সদাগৰে যেন এক ঠাই কৰি তথা ॥
**প্ৰথম স্কন্ধৰ** পঞ্চ আধ্যা পঢ়ি কৰিলন্ত তাৰো পদ ॥
অনন্ত কন্দলী কৰি কৃতাঞ্জলি শঙ্কৰক প্ৰাৰ্থিলন্ত।
**দশমৰ শেষ** পদ কৰি শেষ কৰিয়া আনি দিলন্ত ॥
শঙ্কৰে দেখিয়া বুলিল হাসিয়া ভাল তযু কৃত্যখানি।
কিন্তু আৰু তত্ত্ব থাকিল মাজত কহিলন্ত হাসি জানি ॥

তাৰ অৰ্থ তত্ত্ব কহি কন্দলীত এহি মতে সবে আছে।
হৰিবংশ তথা চাহি কৃষ্ণকথা পদ কৰিলন্ত পাছে ॥
ৰুক্মিণী-হৰণ জগত তাৰণ কুৰুক্ষেত্ৰ আৰো কৈলা।
কৰিয়া প্ৰবন্ধ সেহি বাৰ স্কন্ধ গীত আৰো বিৰচিলা ॥
আছে যত যত পুৰাণ ভাৰত ভাগৱত আদি চাই।
মথি তাৰ ৰস ভক্তৰ সৰ্ব্বস দিলা আনি ঠাই ঠাই ॥
মহা মনোৰম কীৰ্ত্তন দশম স্বাদতো স্বাদ বিশেষ।
কায়বাক্যে চাইল যত সাৰ পাইল পয়াৰে দিলন্ত ৰস ॥
লিঙ্গ পুৰাণৰ গোপীসকলৰ আনিলা নাম উদ্ধাৰি।
পৰম যতনে দশম কীৰ্ত্তনে দিলা নাম পূৰ কৰি ॥
পুৰাণ ভাৰত ভাগৱত যত কথাৰূপে ৰচিলন্ত ॥
ৰাম ৰাম গুৰু সন্ত শঙ্কৰক বুলিলন্ত একদিনা বচনে সাদৰি।
বোলে দশমৰ সাৰ, ঘোষা-ছন্দ আৰো বাৰ, পদ কৰি দিয়ো ডেকাগিৰি ॥
শুনি ৰঙ্গ শঙ্কৰৰ, তেতিক্ষণে দশমৰ সাৰ কাঢ়ি পদ কৰিলন্ত।
সাধে ধৰ্ম্ম অৰ্থ কাম, লীলামালা হেন নাম, ৰঙ্গে গুৰু তাহাৰ থৈলন্ত ॥
পাৰিজাত হেন নাম, অঙ্ক মহা অনুপাম, কৰিলা শঙ্কৰে তাত পাছে ॥
শুনা নিৰন্তৰে, যিমতে শঙ্কৰে, কৰিছন্ত ৰত্নাকৰ।
বাৰ স্কন্ধ সাৰ, বিচাৰি তাহাৰ, কৰিলা সাৰ উদ্ধাৰ ॥৩৪১৩-৩৮

তেন্তে শঙ্কৰদেৱে নৰেৰ পাছত পাটবাউসীত এই সকলো গ্ৰন্থ ৰচে। তদুপৰি আহোম ৰাজ্যৰ দৰে কোচ ৰাজ্যতো শঙ্কৰদেৱে প্ৰতিক্ৰিয়াশীল দলৰ হাত নাসাৰিল। কীৰ্ত্তনৰ অন্তৰ্গত পাষণ্ডমৰ্দ্দন কিয় ৰচা হৈছিল, দৈত্যাৰিয়ে তাৰো এটি বিৱৰণ দিছে ; ভক্তসকলক বিদ্ৰূপ কৰি বিপক্ষবাদীবিলাকে কিৰা ৰচনা কৰিছিল বাৰে (৭১২-১৬ পদ)—"নানান শাস্ত্ৰৰ তত্ত্ব উদ্ধাৰি।···ব্ৰাহ্মণসৱ ছুইবে যোগ্য নয়। দেখাইলা কৰি কবিতাচয় ॥ ৭১৮।" তেতিয়া মাধৱদেৱে কাবৌকৈ শঙ্কৰদেৱক কলে," ব্ৰাহ্মণে বোলক যত লাগয়। আমাৰ বুলিবে যোগ্য নহয় ॥ ৭১৯।" তেতিয়া শঙ্কৰদেৱে সেইখিনি নষ্ট কৰি বহুলভাৱে আনন্দেৰে লিখিলে—

কৰিলা পাষণ্ডমৰ্দ্দন নাম। কীৰ্ত্তন-ঘোষা অতি অনুপাম ॥
আগম পুৰাণ সংহিতা যত। সহস্ৰ-নাম গীতা-ভাগৱত ॥৭২২।

সমস্ত শাস্ত্ৰৰ তত্ত্ব উদ্ধাৰি। বুলিলা অভক্তক নিন্দা কৰি ॥৭২৩।

শঙ্কৰদেৱৰ কোচবেহাৰত বাস আৰু ধৰ্মপ্ৰচাৰ আদিৰে ৰামচৰণৰ শঙ্কৰ-চৰিতৰ মূল ষষ্ঠখণ্ড পাবলৈ নাই। দৈত্যাৰিৰ মতে, কামৰূপৰ বিপক্ষবাদী বামুণবিলাকে অন্যায়কৈ লগোৱাত বিৰক্ত হৈ নৰনাৰায়ণে তৎক্ষণাত শঙ্কৰদেৱক ধৰি নিবলৈ মানুহ পঠিয়ালে; শঙ্কৰদেৱক নাপাই সেই মানুহে গোকুলচান্দ আৰু নাৰায়ণ ঠাকুৰক ধৰি নি গোসানী-সেৱা কৰিবলৈ দিলে আৰু তাত অমাত্তি হোৱাত তেওঁলোকক নানান অত্যাচাৰ কৰিলে (৭২৯-৪১ পদ); শঙ্কৰদেৱে পাটবাউসীত থাকি তাঁতিকুচিৰ তাঁতশালৰ নিৰীক্ষকৰূপে সহায় কৰোঁতে তেতিয়া "ষোল নাম" লবলৈ বিচৰা সেই তাঁতী-দলপতি গোপালক শৰণ দি মথুৰাদাস আতা নাম দিয়ে, আৰু এৰেঁই পাছত বৰপেটা সত্ৰৰ প্ৰতিষ্ঠাতা হয়। বৰপেটাৰ পথা ধৰাই নিওঁতে শঙ্কৰদেৱে নৰনাৰায়ণৰ আগত ৰচি গোৱা তোটয়টি—

"মধুদানৱ দাৰণদেৱৱৰং। ৱৰ বাৰিজলোচন চক্ৰধৰং ॥
ধৰণীধৰ ধাৰণ ধ্যেয় পৰং। পৰমাৰ্থ বিদ্যাশুভ নাশকৰং ॥
কৰ চূৰ্ণিত চেদিপ ভূৰিভগং। ভগভূষণ কোচ্চিত পাদযুগং ॥
যুগনায়ক নাগৰ বেশৰুচিং। ৰুচিৰাংশুপিধান শৰীৰশুচিং ॥
শুচি চামৰ বায়ু নিসেব্য তনুং। তনুমধ্যগদেহ সুবেশহনুং ॥
হনুমন্ত হৰীশ সহায় ৰতং। ৰতিৰাঙ্গপৰায়ণ শক্ৰনতং ॥
নত বৰ্ত্তুল স্থূল সুদীৰ্ঘ ভুজং। ভুজগাধিপ অপশয়ান মজং ॥
অজৰামৰ বিগ্ৰহ বিশ্বগুৰুং। গুৰুগোধন কামদ কল্পতৰুং ॥
তৰুণীমনমোহন সৰ্ব্বশুভং। শুভমঙ্গলদায়ক নীল নিভং ॥
ইভ কুম্ভজ মৌক্তিক মাল্য বহং। বহ লোৰ সমষ্টিজ সৰ্বসহং ॥
সহ জায়তে পদ্মলীক্ষ চিদং। চিদানন্দ বিনোদন বেদবিদং ॥
বিদুষামন মণ্ডন কম্বু গলং। গলশোভিত কৌস্তুভ ভীমবলং ॥
বলভদ্ৰ-সহোদৰ সত্য বপুং। বপুনিন্দিত বিম্বমুৰাৰি ৰিপুং ॥
ৰিপু যুথপ যুথপ দৰ্পহৰং। হৰ মৌলি নিঘৃষ্ট পদাব্জ পৰং ॥
পৰলোক সহায় সহস্ৰমুখং। মুখৰালি কুলাকুল মাল্যসুখং ॥
সুখমোক্ষদ দক্ষ ৰমা ৰমণং। মনসোপৰিমেয় সহস্ৰ ফলং ॥
ফলতোস্মি ন তোস্মি ন তোস্মিহৰিং। হৰি বৈৰী হুতাশন ভোগ্য হৰিং ॥
হৰি-কিঙ্কৰ শঙ্কৰ ঈশপদে। পদমিচ্ছন্ গায়তি চামৃত দে ॥"

শঙ্কৰদেৱৰ অভ্ৰভেদী ব্যক্তিত্বই নৰনাৰায়ণক সম্পূৰ্ণ জিনিলে, আৰু ৰাজকীয় সকলো মান-অভিমান শঙ্কৰদেৱৰ পদত পেলাই দি সন্তুষ্ট কৰিব খুজিলে (৮০৭-১০ পদ)। ভূষণৰ এইখিনি কথা ৰামানন্দৰ লৈতে মিলে। তদুপৰি ৰামানন্দই লিখিছে—

ৰামৰ বিবাহ কথা সীতা-স্বয়ম্বৰ। অঙ্কত লিখিলা তৈত শ্ৰীমন্ত শঙ্কৰ ॥
শুক্লধ্বজ নৃপতিকো অঙ্কে নিবন্ধিলা। অন্তেতে শ্লোকক কৰি অঙ্ক সমাপিলা ॥

নৰনাৰায়ণৰ ৰাজ্যত এইবোৰ অঙ্কীয়া নাটৰ অভিনয়েও কেনে আলোড়ন তুলিছিল ৰামানন্দই তাকো সুন্দৰকৈ বৰ্ণাইছে (১৫০৬-০৭ পদ)। শেষ দেখা-দেখিত শঙ্কৰদেৱে মাধৱদেৱক আৰু গ্ৰন্থ লিখিবৰ নিৰ্দ্দেশ দিয়া সম্পৰ্কে ৰামানন্দত আছে (১৬১১-১২):—

তোমাত কহিলোঁ ইটো ৰহস্য ভকতি। ঘোষা ৰত্নাৱলী পুথি লিখিবা সম্প্ৰতি ॥
পদ দুলড়ী জানা ছবিৰ অৰ্থক। ঝুমুৰি লেছাৰি ছন্দ তাহাৰ ৰসক ॥
নমস্কাৰ শ্ৰৱণ ভজন আত্মনিন্দা। তাৎপৰ্য্য উপদেশ প্ৰশংসা প্ৰাৰ্থনা ॥
নামৰ মহিমা যত কাৰুণ্য আছয়। ঘোষাৰ মাজত তাক দিবাহা নিশ্চয় ॥

শঙ্কৰদেৱৰ তিৰোভাৱৰ কাহিনী বিস্ময়কৰ; বিদগ্ধ পণ্ডিত হলেও নৰনাৰায়ণ ৰজাক নিজ ধৰ্ম-নীতিৰ বিৰুদ্ধে শৰণ দিবলৈ অমান্তি হোৱাই তাৰ গুৰি। এই ছোৱাও ৰামচৰণৰ আৰু ৰামানন্দৰ পদ (১৬১৫-৮৩) একে—

একদিনা ৰাজা শঙ্কৰক মাতি আনি। কোমল মধুৰ কৰি বুলিলন্ত বাণী ॥
কৃষ্ণত শৰণ তুমি কৰায়ো আমাক। নিশ্চয় কৰিয়া আমি বুলিলোঁ তোমাক ॥
নৃপতি বোলন্ত দিন চাৰি থাকিয়োক। কৃষ্ণত শৰণ কৰাওক তুমি মোক ॥
শঙ্কৰে বোলন্ত শুনা ৰাজা মহাশয়। শৰণ হৈবাক খোজা সুবুদ্ধি আশয় ॥
হাঁস ছাগ কাটি তুমি দেৱ-দেৱী পূজা। মুৰ্খৰ স্বভাৱ যেন ভৈলাহা সুবুজা ॥
ৰাজ-নীতি ধৰ্ম্ম তুমি কিমতে এড়িবা। হৰিভক্তি ধৰি ৰাজ্য কিমতে চৰ্চ্চিবা ॥
হেন শুনি ৰাজা বুলিলন্ত শঙ্কৰক। সবাক এড়িয়া আমি ভজিবোঁ কৃষ্ণক ॥
নিশ্চয় কৰিয়া আমি বুলিলোঁ তোমাক। হেন জানি বাধা বাপ নকৰা আমাক ॥
গৃহক গৈলন্ত গুৰু উঠি হেন শুনি। উপায় নপান্ত একো মনে গুণি গুণি ॥
মই তাৰ হাত আবে কিমতে এৰাওঁ। নৰ-লোক এড়িয়া পৰ-লোকে যাওঁ ॥
এহি বুলি তথাতে ৰহিলা মহামতি। বৈকুণ্ঠক যাইবে মন ভৈলন্ত সম্প্ৰতি ॥...
নৃপতি শুনিয়া খেদি আইলা ভূমি পাৰে। মায়া শৰীৰত সেৱ কৰি নম্ৰভাৱে ॥

হৰি হৰি কিনো মোৰ ভৈল বিড়ম্বন। আগে পাপী কিনো মই নললোঁ শৰণ ॥
এহি বুলি দুঃখ ৰাজা অনেক কৰিলা। সো-শৰীৰতে পাছে শৰণক লৈলা ॥

নৰনাৰায়ণে শঙ্কৰদেৱৰ শৰত শৰণ লোৱা এই অভিনৱ ঘটনাৰ এটি সমান্তৰাল কাহিনী আছে; কাঞ্চীপূৰ্ণ নিজে হীন জাতিৰ বুলি বামুণ ৰামানুজক শৰণ নিদি বিমুখ কৰাত শেষত আন এজন হীন জাতিৰ কিন্তু বেদৰ সধাৰি-সূত্ৰ লেখক সধকোপৰ মৰিশালিত এই বুলি শৰণ লৈছিল—

"বকুল-ধৱল মত বক্ষসম বেদবাহপ্ৰৱল সাম্য বদচ্ছেদনম্ পূজনীয়ম্।
বিপুল কুৰুক নাথম কৱিসুনম্ কবীশম্‌শৰণমুপগতোঽহম্ চক্ৰহস্তেবক্ত্ৰম্ ॥"

## শঙ্কৰী কাব্য—কীৰ্ত্তন-ঘোষা, ভাগৱত-ভাঙনি আদি

১৪৬৮ত শঙ্কৰদেৱৰ **চিহ্নযাত্ৰা** অঙ্কীয়া নাটৰ আৰু গীত-পদৰ ৰচনা আৰু অভিনয়, আৰু তাৰ লগে লগেই **উদ্ধৱ-সম্বাদ** কাব্যৰ ৰচনা আৰু শৰণ-দানৰ কথা উল্লেখ কৰি অহা হৈছে; চিহ্নযাত্ৰা ৰচনাৰ সম্পৰ্কে চৰিত-পুথিৰ যি বৰ্ণনা তাৰো আভাস দিয়া হৈছে আৰু বৰ্ত্তমান তাৰ কোনো নিদৰ্শন নাই বুলিও কোৱা হৈছে। শঙ্কৰদেৱৰ তৃতীয় আৰু প্ৰধান কাব্যকোষ **কীৰ্ত্তন-ঘোষাও** সম্ভৱ কোনো আকাৰত ১৪৬৯ত পোনতে ৰৰদোৱালৈ গৈ নাম-ঘৰ আৰু নাম-কীৰ্ত্তনৰ দিহা আৰু ১৪৭০ত তাতে ফাগুৱাৰ দিহা কৰোঁতেই আৰম্ভ কৰা; ১৪৯১ ত দেশ-ভ্ৰমণৰ পৰা ঘূৰি অহাত আৰু ত্ৰিহুটৰ জগদীশ মিশ্ৰই জগন্নাথৰ আদেশমতে ভাগৱত পাঠ কৰি শুনোৱাৰ আগতে শঙ্কৰদেৱে গীতা-ভাগৱতৰ গীত-পদ সম্পূৰ্ণভাৱে কৰিছে বুলি জগদীশ মিশ্ৰক স্পষ্ট আৰু দৃঢ়ভাৱে কোৱা হয় (২১৭৫-৭৯ পদ)।

ৰামচৰণে বৰ্ণোৱা এই কথাই স্বাভাৱিক; কিয়নো **চিহ্নযাত্ৰা** আৰু **উদ্ধৱ-সম্বাদ** কাব্যৰ কল্পনা কৰিব নোৱৰা কৃতকাৰ্য্যতাৰ পাছত ততালিকে আন ৰচনা হাতত নলৈ তাৰ ২২ বছৰৰ মূৰত, ত্ৰিহুটৰ জগদীশ মিশ্ৰৰ পৰা ভাগৱত শুনিহে শঙ্কৰদেৱে কীৰ্ত্তনৰ গীত-পদ কৰিছিল বুলি দৈত্যাৰিৰ পদৰ পৰা যদিও বলেৰে পোনাব পাৰি সেই অৰ্থ সমীচীন নহয়। শঙ্কৰদেৱৰ আগত ত্ৰিহুটৰ পৰা আহি জগদীশ মিশ্ৰৰ গীতা-পাঠ তেওঁ নিজে ধন্য হবলৈহে, শঙ্কৰদেৱক যে ধন্য কৰিবলৈ নহয়, ঘটনাৰ স্বৰূপৰ পৰাই স্পষ্ট বুজিব পাৰি। গতিকে ১৪৬৯কে আমি শঙ্কৰদেৱৰ **কীৰ্ত্তন-ঘোষা** ৰচনাৰ আৰম্ভৰ কাল বুলি ধৰিম; কিন্তু ই

এখন কাব্য নহয়, সৰু-বৰ দেড়কুৰিখনমান কাব্যৰ এখনি অপূৰ্ব কাব্যকোষ। কীৰ্ত্তন-ঘোষাৰ ভিতৰৰ। **গোপী-উদ্ধৱ সম্বাদৰ** পৰা সকলো প্ৰকাৰে সুকীয়া, **উদ্ধৱ-সম্বাদ** নামৰ পুথি এখন ভদ্ৰসেন বৰাৰ দ্বাৰা সংগৃহীত হৈ ডিব্ৰুগড় আহোম ছাপাশালৰ পৰা প্ৰকাশিত হোৱা আমাৰ হাতত পৰিছে।—

আয়ু যায় ক্ষণে ক্ষণে, কৃষ্ণৰ কিঙ্কৰে ভণে, নিৰন্তৰে বোলা ৰাম ৰাম ॥ ৯১ ।
কৃষ্ণৰ কিঙ্কৰে কহে এড়া আন কাম। পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম ॥১৫৭

এনে ভণিতাত পোন পাকে শঙ্কৰদেৱৰ নাম নাই। মহেন্দ্ৰ কন্দলী ৰামৰাম গুৰু আদি বামুণসকলক **চিহ্ন-যাত্ৰা** ভাৱনাৰ পাছত শ্ৰৱণ লগাবলৈ শঙ্কৰদেৱে এৰাতিৰ ভিতৰতে **উদ্ধৱ-সম্বাদ** নামে যিখন পুথি লিখিছিল বুলি চৰিত-পুথিত আছে এয়ে সেই পুথি হব পাৰে ভাবি ইয়াত বৰ্ত্তমান তাৰ আলোচনা কৰা হল। পুথিখনত ১৭৭টি পদ আছে, শ্ৰীকৃষ্ণই বৈকুণ্ঠ-প্ৰয়াণ কৰিব খোজাত উদ্ধৱৰ বিলাপ আৰু শ্ৰীকৃষ্ণৰ বুজনিত এই পদ-পুথিৰ আৰম্ভণ হৈছে—

তুমি আমি দুয়ো গৈলে মিলিবে অনৰ্থ। লুপ্ত হৈব জ্ঞান ইটো ভকতিৰ পন্থ ॥
অধৰ্ম্মে পীড়িব লোক যাইব অধোগতি। ভকতক ৰাখি তুমি থাকিও সম্প্ৰতি ॥২৩।

যি কাৰণেই হওক, ভণিতাত স্পষ্টভাৱে নাম নাথাকিলেও, ভক্ত বামুণক শৰণ লগাবৰ বাবে শঙ্কৰদেৱে ৰচা প্ৰথম কাব্য উদ্ধৱসম্বাদ এইখনেই বুলি ভাষা আৰু ভাব সকলো ফালৰ পৰা সম্প্ৰতি ধৰিব পাৰি।

**কীৰ্ত্তন-ঘোষা** কাব্যকোষ ৰূপে আদিতে জুকিওৱা আছিল নে নাছিল, নে এইদৰে আৰম্ভক অনুসাৰেহে লিখি থোৱা হৈছিল? শঙ্কৰদেৱৰ তিৰোভাৱৰ পাছত আৰু মাধৱদেৱৰ প্ৰয়াণৰ আগতহে যে মাধৱদেৱৰ আদেশমতে ৰামচৰণে ইয়াক গোটাইছিল, দৈত্যাৰিৰ পৰা তাক স্পষ্টকৈ বুজিব পাৰি—

গৈলন্ত মাধৱ দেৱ বেহাৰত ফাগুন মাসত চলি।
বেহাৰক ৰাম- চৰণ গৈলন্ত চৈত মাস আসি ভৈলি ॥ ১৫৬৫ ।
পাছে কতো দিনে শ্ৰদ্ধা ভৈল মনে ৰামচৰণৰ জ্ঞান।
ঠাই ঠাই ঘোষা- কীৰ্ত্তন আছয় কৰোঁ আনি একখান ॥
কতো আছে হাজো দক্ষিণ কূলত, কতো বৰ নগৰত।
কতো বৰপেটা অসম ৰাজ্যত কতোহো কালৰাৰত ॥ ১৫৬৬ ।
বছৰেক মান ফুৰি একখান কৰিলা ঘোষা-কীৰ্ত্তন।
মাধৱদেৱক পুনু দেখিবাক গৈলন্ত ৰামচৰণ ॥ ১৫৬৭ ।

দেখি পুথিখান আনন্দিত মন তাৱক্ষণে উঠিলন্ত।
শিৰৰ ওপৰে পুথিখন থৰি আনন্দতে নাচিলন্ত ॥ ১৫৭৪ ।
এহি বুলি পুথি মেলি চাহিলন্ত কৈত কোন কথা আছে।
যৈত যিবা কথা থৈব লাগে থৈছে বিচাৰি দেখিলা পাছে ॥ ১৫৭৬ ।
নলাগে লাখিবে ভালে আছে সৱে এহি বুলি হাসিলন্ত ॥ ১৫৭৭ ।

ইয়াৰ পৰা এনে অনুমান হয় শঙ্কৰদেৱেই মাধৱদেৱে জনাৰ ভিতৰতে ইয়াৰ কাব্য-ক্ৰম জুকিয়াই থৈছিল; আৰু মাধৱদেৱেও বিভিন্ন অংশ ৰামচৰণে গোটাৱাৰ পাছত "যৈত যিবা কথা, থৈব লাগে থৈছে" বুলি দেখিবলৈ পাইছে। দেখাতেই এই ক্ৰম সুশৃঙ্খলিত আৰু সুপৰিকল্পিত; ই কোনোমতে আটাইখনি কাব্য দ'মাই একেলগ কৰা নহয়। "প্ৰথমে প্ৰণমো ব্ৰহ্মৰূপী সনাতন" বুলি পোনেই **চতুৰ্বিংশতি-অৱতাৰ** বৰ্ণনা কৰি **নামাপৰাধ** দেখুৱাইছে; তাৰ পাছতে **পাষণ্ড-মৰ্দ্দন** বৰ্ণাই পোনতে বিপক্ষবাদৰ বিষ নমাই লৈছে। তেতিয়া "একমনে শুনা হৰিৰ ধ্যান" বুলি বৈকুণ্ঠলৈ ভক্তৰ মন টানি নি "হেন মন্দিৰে ৰত্ন সিংহাসনে" বহি থকা নাৰায়ণক দৰ্শন কৰাইছে। "চিত্তৰ শোধন হৰিৰ কীৰ্ত্তন"ৰ গুণত মহাপাতকীৰো যে উদ্ধাৰৰ উপায় আছে **অজামিলোপাখ্যান** তাৰ প্ৰমাণ। "ভকতৰ ভয় আছে কৈত" ইয়াকে দেখুৱাবলৈ **প্ৰহ্লাদচৰিত্ৰ**! "সঙ্কট বেলাত সদ্ বুদ্ধি" হলেও পৰিত্ৰাণৰ বাট যে হৰিনাম তাকে বুজাবলৈ **গজেন্দ্ৰোপাখ্যান**। "কটাক্ষে সৃজন্ত ব্ৰহ্মাণ্ডকো কোটি কোটি। এগোটা ডিমাৰ মই ক্ষুদ্ৰ এক গুটি।" বুলি দৰ্পচূৰ্ণ কৰুক দেখুৱাবলৈ **হৰমোহন**। "দিব্য ভোগ যতেক আপুনি সৱে লাগ। বৈষ্ণৱ বলিৰ তাত নাহি অনুৰাগ।" কিয়, তাকে দেখুৱাবলৈ **বলিছলন**। এইখিনি প্ৰাথমিক জ্ঞান-দানৰ পাছত শ্ৰীকৃষ্ণৰ **শিশু-লীলাত** আৰম্ভ কৰি **শ্ৰীকৃষ্ণৰ বৈকুণ্ঠপ্ৰয়াণত** শঙ্কৰদেৱৰ **কীৰ্ত্তন-ঘোষা** সমাপ্ত। শঙ্কৰদেৱৰ **ওড়েষা বৰ্ণন**, ৰত্নাকৰ কন্দলীৰ **সহস্ৰ-নাম বৃত্তান্ত** আৰু শ্ৰীধৰ কন্দলীৰ **ঘুনুচা-যাত্ৰা** স্বৰূপতে তাৰ পৰিশিষ্ট বুলিব পাৰি।

সদৌ ভাৰতৰ ধৰ্মক্ষেত্ৰত গীতা আৰু ভাগৱতে যি ঠাই অধিকাৰ কৰে, অসমত শ্ৰীশঙ্কৰদেৱৰ **কীৰ্ত্তন-ঘোষা** আৰু মাধৱদেৱৰ **নাম-ঘোষাই** তাৰ অনুৰূপ স্থান লাভ কৰে; আৰু স্বৰূপতে মূৰ্ত্তিৰ পৰিবৰ্ত্তে আথৰে আথৰে এই দুখনি পুথিকে থাপনা পাতি সেৱা জনায়। আকৌ সমগ্ৰ ভাৰতীয় সাহিত্য-

ক্ষেত্ৰতো গীতা-ভাগৱতে যি শীৰ্ষস্থান লাভ কৰে সদৌ অসমীয়া সাহিত্যতো **কীৰ্ত্তন-নামঘোষাই** তেনে স্থানকে অধিকাৰ কৰে। গতিকে ধৰ্মভাৱৰ কথা এৰিও সাহিত্যৰ ফালৰ পৰা এই শীৰ্ষস্থানীয় গ্ৰন্থকেখনত কি বিশিষ্ট সাহিত্যিক গুণ আছে তালৈ মন কৰিব লগীয়া। সাহিত্যৰ 'ছুব্‌লিমিটী' বা প্ৰসাদ গুণটো প্ৰকাশ কৰিবৰ বাবে জলদ-গম্ভীৰ সংস্কৃতৰ দৰে প্ৰাচীন ভাষা যেনে উপযোগী, প্ৰাদেশিক ভাষা কেতিয়াও তেনে নহয়; ইংৰাজী ভাষাৰ ভিতৰেদিও এই ছুব্‌লিমিটী গুণ ফুটাই তুলিব পাৰিছে অকল মিল্‌টন আদি দুই এজন কবিয়েহে। গতিকে সংস্কৃতৰ লগত অসমীয়া ভাষাৰ ফেৰ মৰাব নিচিনা এটা অসম্ভৱ কাম শঙ্কৰদেৱ-মাধৱদেৱ প্ৰভৃতিয়ে কেনেকৈ সম্ভৱ কৰিছিল তাক দুই এটি উদাহৰণৰ পৰাই বুজিব পাৰি; কিয়নো গাম্ভীৰ্য্যৰ কথাই নাই, অৰ্থতো অসমীয়া শব্দ ভাব-বহুল নহলেও মহাপুৰুষে সংস্কৃতৰ সমানে সমানে ফেৰ মাৰি লিখিছে—

"ন গঙ্গা ন গয়া সেতুম্ ন কাশী ন চ পুষ্কৰম্।
জিহ্বাগ্ৰে বৰ্ত্ততে যস্য হৰিৰিত্যক্ষৰম্ দ্বয়ম্ ॥"

"হৰি হেন ইটো দুগুটি অক্ষৰ জিহ্বা অগ্ৰে থাকে যাৰ।
গঙ্গা গয়া কাশী পুষ্কৰ সেতুক যাইবাক নলাগে তাৰ ॥"

এইদৰেই জয়দেৱৰ "প্ৰলয়পয়োধিজলে ধৃতবানসি বেদং" সংস্কৃত স্তোত্ৰৰ লগত বিজ্ঞালেও শঙ্কৰদেৱৰ **চতুৰ্বিংশতি অৱতাৰৰ** অসমীয়া পদ, **কীৰ্ত্তনৰ** আৰম্ভ, কোনো প্ৰকাৰে হীনপ্ৰভ নহব নিশ্চয়।

মহাপুৰুষীয়া ধৰ্মৰ দাৰ্শনিক তত্ত্বৰ মূল সুৰো **কীৰ্ত্তনৰ** এই প্ৰথম কবিতাৰ প্ৰথম শাৰীতে বাজি উঠিল! শঙ্কৰাচাৰ্য্যৰ জ্ঞান-প্ৰধান অদ্বৈতবাদৰ—

"শ্লোকাৰ্দ্ধেন প্ৰৱক্ষ্যামি যদুক্তং গ্ৰন্থ কোটিভিঃ।
ব্ৰহ্ম সত্যং জগন্মিথ্যা জীৱো ব্ৰহ্মৈৱ কেৱলম্ ॥"

এই মত আংশিকৰূপে গ্ৰহণ আৰু আংশিকৰূপে খণ্ডন কৰি ৰামানুজে যি ভক্তিপ্ৰধান বিশিষ্টাদ্বৈতবাদ মত উলিয়ালে, তাকে শঙ্কৰদেৱে আকৌ আংশিক ভাৱে বৰ্জন-গ্ৰহণ অৰ্থাৎ ৰামানুজৰ শ্ৰীসম্প্ৰদায়ৰ অনুৱৰ্ত্তী নহৈ নিজস্বভাৱে অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিলে। একে ভক্তি-প্ৰধান ভাগৱতী ধৰ্ম প্ৰচাৰ কৰা আৰু অৱতাৰবাদ স্বীকাৰ কৰা বিষয়ত শঙ্কৰদেৱ ৰামানুজাচাৰ্য্যৰ লগত এক; কিন্তু "ব্ৰহ্ম সত্য জগন্মিথ্যা" আদৰ্শত শঙ্কৰদেৱ ৰামানুজতকৈ শঙ্কৰাচাৰ্য্যৰ নৈতেহে

এক। গতিকে শঙ্কৰদেৱৰ মতত বিশিষ্টাদ্বৈতবাদতকৈ অদ্বৈতবাদৰ প্ৰাধান্যই নিশ্চিতভাৱে অধিক; ইয়াত দ্বৈতবাদৰ যে পাৰতো ভৰি দিয়া নাই তাক শঙ্কৰদেৱৰ লিখনিৰ ছত্ৰে ছত্ৰে দেখিবলৈ পোৱা হয়।

**নামাপৰাধৰ** দুটি কবিতাত শঙ্কৰদেৱে অকল নামৰ অপৰাধকে হে যে দেখুৱাইছে এনে নহয়, নামৰ উপকাৰ সাতটিও বিতংকৈ দেখুৱাইছে—

"প্ৰথমে দহিব পাতকচয়। কৰিব মহা পুণ্য অভ্যুদয়।
কৰাইব বিষয়ত বিৰকতি। কৃষ্ণত বঢ়াইব প্ৰেম-ভকতি ॥৬৫॥
ওপজাইব অতি বৈষ্ণৱ জ্ঞান। মায়াক কৰিব দহি নিৰ্ব্যান ॥
চৈতন্য মূৰ্ত্তি পূৰ্ণানন্দ হৰি। থৈবক তেন্তে-এৰে এক কৰি ॥৬৬॥"

এই কবিতা দুটি যে শঙ্কৰদেৱৰ আগবয়সৰ ৰচনা, তাত সঘনে দিয়া শাস্ত্ৰৰ দোহাইৰ পৰা সঠিকভাৱে অনুমান কৰিব পাৰি—

নকৰিবা নিন্দা মোক মহন্তে। আসিল শাস্ত্ৰ বাৰাণসী হন্তে ॥
তাহাক চাই নিবন্ধিলোঁ পদ। হৰি হৰি বুলি তৰা আপদ ॥৭১॥

**পাষণ্ড-মৰ্দ্দন** ৰচনাৰ উৎপত্তি সম্পৰ্কে আগতে উন্মুকিওৱা হৈছে। ইয়াৰ চাৰিটি কবিতাত বেদান্ত, বিষ্ণুধৰ্ম্মাস্তৰ আগম, বৃহৎ নাৰদী, পদ্মপুৰাণ, বৃহৎ সহস্ৰ নাম, সূতসংহিতা আৰু বাৰ স্কন্ধ ভাগৱতৰ সাৰ কাঢ়ি আনি শঙ্কৰদেৱে নিজ ধৰ্ম্মৰ মৰ্ম প্ৰমাণ কৰিছে।

**ধ্যানবৰ্ণন** দুটি কবিতাত সম্পূৰ্ণ; প্ৰথমটিত বৈকুণ্ঠৰ আৰু দ্বিতীয়টিত তাত থকা নাৰায়ণৰ বৰ্ণনা। অন্ততঃ এই কবিতা দুটি সংস্কৃত কাব্যৰ সমানে গহীন গম্ভীৰ আৰু মহত্বপূৰ্ণ। বৈকুণ্ঠৰ বৰ্ণনা যেনে মনোমুগ্ধকৰ তাৰ মাজত ৰত্ন-সিংহাসনত বহি থকা নাৰায়ণৰ বৰ্ণনা আৰু চমৎকাৰ। পঢ়িলে চকুৰ আগত গ্ৰীক্ শিলাকটীয়াৰ নিচিনা হাতৰ এক অপৰূপ মূৰ্ত্তি দেখা যেন লাগে। এনে প্ৰশান্ত আৰু স্নিগ্ধ ৰূপেই ক্লাছিকেল্ বা প্ৰাচীন সাহিত্যৰ প্ৰধান লক্ষণ; স্পষ্ট ৰেখাঙ্কন ভাস্কৰ কলাৰ দৰে ইয়াৰো বিশেষ গুণ;— আকৌ শঙ্কৰদেৱৰ ভাষাৰেই, "কৰটিত যেন সোণাৰ ৰেখা।" ৰমান্টিক বা নৱন্যাসমূলক সাহিত্য, ইয়াৰ বিপৰীতে, চিত্ৰাঙ্কন কলাৰ দৰে বৰ্ণ-বৈচিত্ৰ্যপূৰ্ণ; এনে কবি-শিল্পীয়ে চিত্ৰশিল্পীৰ দৰে তেওঁৰ লিখনী হাতত লৈ শব্দ-চিত্ৰ আঁকোতে স্পষ্ট ৰেখাঙ্কনৰ বিপৰীতে বৰ্ণ-চাতুৰ্য্যলৈহে বিশেষ চকু ৰাখে, আৰু নানা ধৰণেৰে তেওঁৰ বৰ্ণনা বিচিত্ৰ হৈ উঠিলেই নিজক কৃতাৰ্থ বুলি ভাবে।

মুঠতে, এজন ইংৰাজ সমালোচকে কৰৰ দৰে, প্ৰাচীন শিল্পীয়ে দেৱ-মন্দিৰত আৰু নৱন্যাস শিল্পীয়ে উপবনত থাকি আপোন মনেৰে সৌন্দৰ্য্য-সাধনা কৰে।

অজামিলোপাখ্যানৰ চাৰিটি কবিতাত অজামিলৰ কাহিনীৰ হাঁকোটাত শঙ্কৰদেৱে নিজ ধৰ্মমতৰ উপদেশ আঁৰিছে—

"হৰিনামে সৱ পাতক দহয় জ্ঞানে বা অজ্ঞানে বোলে।
যেন হুতাশনে শুকান কাষ্ঠক অতি অপ্ৰয়াসে পোলে॥
প্ৰমাদত থাকি যিটো হৰি বোলে সিয়ো সৱ দুঃখে তৰে।
যেন মহৌষধি নজানি ভুঞ্জিলে তাৰো গৰ্ভৰোগ হৰে॥১৮৭।"

প্ৰহ্লাদচৰিত্ৰ পূৰ্বকবি হেম সৰস্বতীৰ এই নামৰ পুথিৰ দৰেই আঢৈশৰ অধিক পদৰ মুঠ বাইশটি কবিতাৰ এখনি স্বকীয়া কাব্যৰ দৰে—

"ব্ৰহ্মাৰ মানস চাৰি তনয়। ভ্ৰমন্ত আকাশে আনন্দময়॥ ২১৮।
আনন্দে লোকক চাহন্তে ফুৰি। দিনেক দেখিল বৈকুণ্ঠ পুৰী॥
অতি আনন্দিত বিষ্ণুৰ স্থানে। সৱে চতুৰ্ভুজ পুৰুষ মানে॥ ২১৯।"
যতেক ৰমণী লক্ষ্মী প্ৰত্যেক। কল্পতৰু সম বৃক্ষ যতেক॥ ২২০।

শঙ্কৰাচাৰ্য্যই "শ্লোকাৰ্দ্ধেন প্ৰবক্ষ্যামি যদুক্তং গ্ৰন্থকোটিভিঃ" বুলি বিজয়দৰ্পে কোৱাৰ দৰে একো ষুবুলিও শঙ্কৰদেৱে ওপৰৰ এফাকি পদত, যাদুকৰী চিত্ৰশিল্পীৰ দৰে লিখনীৰ মাথোন একেটি আঁকত, গোটেই বৈকুণ্ঠখন কেনে-দৰে আঁকি পেলালে! তাৰ ওপৰতে আকৌ লিখনী বুলালে—

বৈকুণ্ঠ নগৰী নিৰুপম। নাহি যাত কালৰ বিক্ৰম॥ ২৩০।
মূৰ্ত্তি ধৰি বেদ-শাস্ত্ৰগণ। কৰে বেঢ়ি মহিমা কীৰ্ত্তন॥ ২৩২।"

বাইবেলৰ আডাম-ঈভ্ ঈশ্বৰৰ এটি বাক্যত সৰি পৰাৰ দৰে জয়-বিজয় বৈকুণ্ঠৰ সপ্তম দ্বাৰৰ দুৱৰী থানৰ পৰা কেনেকৈ হঠাৎ খহি পৰিল!—

"দেখিয়া পাছে হেন চাৰি সিদ্ধ। দেখন্তে শিশু বয়সত বৃদ্ধ॥
কৃষ্ণৰ দৰশন আশা ভঙ্গে। কোপে চক্ষু পকাই মাতন্ত খঙ্গে॥ ২৪০।
বৈষ্ণৱ বোলা তোৰা দুয়োজন। বৈকুণ্ঠবাসীৰ নোহে লক্ষণ॥ ২৪১।
পাৰিষদ বোলাই কৰস চটি। নোহিকা বৈষ্ণৱ দুয়ো কপটী॥
বৈকুণ্ঠতো আনা দুৰ্যশ বড়। ঐৰ পৰা তোৰা দুহান্তো পড়॥২৪২।

কীৰ্ত্তন-ঘোষাৰ ছন্দ-বৈচিত্ৰ্যও অতি চমৎকাৰ। ইয়াত সাধাৰণ পদ, দুলড়ী, ছবি, লেছাৰী আদিৰ উপৰিও ঝুনা বা একাৱলী, ঝুমুৰি বা গজপতি,

কুসুম-মালা আদি নানাবিধ ছন্দেৰে এই অপূৰ্ব কাব্যবোৰত এক চিৰন্তন স্পন্দন সুমুৱাই দিছে। অকল ইমানেই নহয়, বৰগীতবোৰ সদায় যেনেকৈ ভাবৰ উপযোগী ৰাগত বান্ধি দিছে, বিভিন্ন ছন্দও ইয়াত সেইদৰে উপযোগী ভাবত বান্ধিছে। জয়-বিজয়ৰ দুৰ্ব্যৱহাৰৰ বাবে ক্ষমা বিচাৰি মাধৱে যি বিনয়-নম্ৰ বাণী বুলিলে, তাক শুনি চাৰি সিদ্ধৰ মনত হোৱা উগুল-থুগুল ভাব প্ৰকাশ কৰিবলৈ ঝুমুৰি বা গজগতি ছন্দৰ উদ্ভাৱনা—

"তোমাৰ বচন স্বামী। বুবুজিলোঁ কিছু আমি ॥
আপুনি ঈশ্বৰ হুয়া। বোলাঁহা কৰিয়ো দয়া ॥ ২৭৫।
ত্ৰিজগতে কৰে সেৱ। বোলাঁ মোৰ বিপ্ৰ দেৱ ॥
যত দেৱ দ্বিজ ভূমি। সৱাৰো দেৱতা তুমি ॥ ২৭৬।
কৰিলোঁ দাৰুণ পাপ। দণ্ডিয়ো জগত বাপ ॥ ২৮০।"

ছন্দ-বৈচিত্ৰ্যৰ দৰে **কীৰ্ত্তন-ঘোষাৰ** ৰস-বাহুল্যও বিশেষ মন কৰিব লগীয়া। নৰসিংহৰ ৰূপ-বৰ্ণনাত অদ্ভুত-ৰসৰ মনোৰম অৱতাৰণা—

অদ্ভুত দেখিয়া দৈত্যপতি ভৈল চুপ। নোহে সিংহ নোহে ইটো মনুষ্যৰ ৰূপ ॥
তপ্ত সুৱৰ্ণৰ বৰ্ণ জ্বলে চক্ষু দুই। পৰ্ব্বত সমান কায় আছে স্বৰ্গ ছুই ॥
শৰীৰৰ লোম চন্দ্ৰসম শুক্লবৰ্ণ। তুলি আছে উৰ্দ্ধক স্তবধ দুই কৰ্ণ ॥
বাইল মুখ যেন গিৰি-গহ্বৰ পৰাই। প্ৰচণ্ড বাতাস যেন নিশ্বাস বজাই ॥
প্ৰকাশয় কেশ শিৰে ৰবিৰ কিৰণ। ভ্ৰূকুটি কুটিল মুখ বিকট দশন ॥
লহ লহ কৰে জিহ্বা যেন ক্ষুৰ ধাৰ। জ্বলে বাহু শত তীক্ষ্ণ নখে চমৎকাৰ ॥
বহল হৃদয় দীৰ্ঘ গ্ৰীৱা কৃশ কটি। জিহ্বা মেলি আছে দুই দশন প্ৰকটি ॥

ভয়ানক ৰসৰ অৱতাৰণা কৰিবলৈ হ্ৰস্ব-একাৱলী ছন্দ—

"দানৱ ফুৰন্তে যেৱে আছে। দেখি খঙ্গে নৰসিংহে পাছে ॥
কম্পাই শিৰ কেশৰ উল্লাসি। তুলিলা আছোটে ঘোৰ হাসি ॥ ৪১২।
চিত কৰি উৰুত থাপিল। নখে তাৰ হিয়া বিদাৰিল ॥ ৪১৫।
চক্ষু পকাই দৈত্য অন্তকাৰী। চেলেকন্ত জিহ্বায়ে কোৱাৰি ॥
ৰুধিৰে দিগিধ দেহা হুই। শিৰত মেড়াইল আন্ত দুই ॥ ৪১৬।
দৈত্য জিনি ত্যজিলা আটাস। পলায় দিগ্‌গজ হুয়া ত্ৰাস ॥
ঝম্বাৰন্তে শিৰৰ কেশৰ। উড়ায় সৱে বিমান স্বৰ্গৰ ॥৪১৭।
খলকে সাগৰ শ্বাস লাগি। বেগত পৰ্ব্বত পড়ে ভাগি ॥

নৃসিংহৰ চৰণৰ গতি। টলবল কৰে বসুমতী ॥৪২০।
চক্ষুৰ ৰশ্মিত ভৈল ছন্ন। নিষ্প্ৰভ সমস্ত গ্ৰহগণ ॥৪২১।"

প্ৰচণ্ড ভূমিকম্প বা ধুমুহাৰ পাছত প্ৰকৃতিয়ে প্ৰশান্ত মূৰ্ত্তি ধাৰণ কৰাৰ দৰে এই ৰৌদ্ৰ ৰূপৰ পাছত ব্ৰহ্মাৰ আদেশত প্ৰহ্লাদে কৰা স্তুতিত শান্ত-ৰসৰ উদ্ৰেক আৰু তাৰ লগে লগে শঙ্কৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱ মতো প্ৰকাশিত হ'ল—

"তুমি জগজ্জীৱ তোমাক পূজিলে মিলে আপোনত যাই।
যেন মুখশ্ৰীক প্ৰতিবিম্ব মুখে দেখিয়া দৰ্পণ চাই ॥৪৪৩।
ভয়ঙ্কৰ কোপ দেখিয়া তোমাৰ প্ৰভু মোৰ ভয় নাই।
সংসাৰ-চক্ৰৰ নিকাৰ দেখিয়া সদায় ধাতু উড়ায় ॥৪৪৪।
কিমতে ভকতি কৰোঁ পঞ্চেন্দ্ৰিয় পঞ্চদিকে লাগি ধৰে ॥
যেন গৃহস্থক অনেক সপত্নী সকলে আকুল কৰে ॥ ৪৪৫।
যিটো চাণ্ডালেও কায়-বাক্য মনে সদায় সুমৰে হৰি।
আছে বাৰ ব্ৰত যিটো ব্ৰাহ্মণৰ সিসে শ্ৰেষ্ঠ আত কৰি ॥
সিটো মহাগৰ্ব্বী বিপ্ৰে আপোনাক পৱিত্ৰ কৰিবে নাৰে।
ভকত চাণ্ডালে আপোনাকো তাৰ সমস্ত কুল উদ্ধাৰে ॥ ৪৪৬।

ভক্তৰ এই পৰম প্ৰাৰ্থনাৰ সন্নিধানত আকৌ নৃসিংহৰ মুখে শঙ্কৰদেৱৰ ধৰ্ম্মৰ পৱিত্ৰ মৰ্ম্মই সঘনে প্ৰতিধ্বনিত হৈছে সেই হ্ৰস্ব-ঝুনাতে—

"শুনি নৰসিংহে হাসিলন্ত। জানো তুমি ভকত একান্ত ॥৪৫৩।
সদায় শুনিবা মোৰ কথা। মোৰ ৰূপ চিন্তিবা সৰ্ব্বথা ॥
কীৰ্ত্তনে পলাইব পাপচয়। ভোগ ভুঞ্জি পুণ্য কৰ ক্ষয় ॥৪৫৪।
তোৰ যশ ব্যাপিব জগতে। ৰাত্ৰি-দিনে মোক সুমৰন্তে ॥
সবে কৰ্ম্মবন্ধ হৈব হীন। অন্তকালে মোতে যাইবা লীন ॥" ৪৫৫।

আকৌ নিমজ গহীন পদত ভক্তৰ গুণ দোহাৰি সামৰণি মাৰিছে—

পৰম বৈষ্ণৱ তই পুত্ৰ ভৈলি যাৰ। একৈশ পুৰুষ তাৰ কৰিলি উদ্ধাৰ ॥
যৈত-থাকে মোৰ ভক্ত উদাৰ চৰিত্ৰ। কীট-পতঙ্গকো তথা কৰয় পৱিত্ৰ ॥
নকৰে প্ৰাণীক হিংসা নাহি একো স্পৃহা। আমাত অৰ্পণ কৰে আপোনাৰ দেহা ॥

গজেন্দ্ৰোপাখ্যান তিনটি বিত্তোপন কবিতাত সম্পূৰ্ণ। প্ৰাকৃতিক শোভা বৰ্ণনাত আকৌ সেই অপূৰ্ব্ব ক্লাছিকেল্ বা প্ৰাচীন সাহিত্যৰ সৌন্দৰ্য্য-সমাবেশ—

ক্ষীৰ সাগৰৰ মাজে ত্ৰিকূট পৰ্ব্বত। প্ৰকাশন্তে আছে তিনি লোকত বেকত ॥

স্বৰ্ণ ৰজত লোহা জ্বলে তিনি শৃঙ্গ। চক্ষুত জমক লাগে দেখিতে বিধিঙ্গ ॥
আন যত শৃঙ্গ ৰত্নে কৰে ভিৰিমিৰি। দশোদিশ প্ৰকাশিয়া শোভে শুক্লগিৰি ॥
ক্ষীৰ-সাগৰৰ ঢউ চৌভিতি উথলে। পখালে পৰ্ব্বত সুশীতল দুগ্ধজলে ॥
নদী-নদ অশেষ বিশেষ সৰোবৰ। স্ফটিক নিৰ্ম্মল জল দেখি মনোহৰ ॥
অগৰু চন্দন পদ্ম সৰল সোণাৰু। আনো যত তৰু-বন সৱে কল্পতৰু ॥
ছয় ঋতু এককালে বসন্ত উদয়। ভ্ৰমৰে গুঞ্জৰে কুলি পঞ্চম পূৰয় ।

**হৰমোহন** প্ৰায় এশ পদৰ মুঠ দহটি কৱিতাৰ এখনি প্ৰধানমান স্বকীয়া কাব্য বুলিব পাৰি। ৰামানুজৰ বিশিষ্টাদ্বৈতবাদতকৈ যে শঙ্কৰদেৱৰ প্ৰচাৰিত মত শঙ্কৰাচাৰ্য্যৰ অদ্বৈতবাদৰ ফালেহে ঢাল খোৱা ইয়াক এই কাব্যৰ আৰম্ভৰ বিতোপন হৰ-স্তুতিটিৰ পৰাই সলসলীয়াকৈ বুজিব পাৰি—

নমো নমো মাধৱ বিধিৰ বিধিদাতা। তুমি জগতৰ গতি মতি পিতামাতা ॥
তুমি পৰমাত্মা জগতৰ ঈশ এক। একো বস্তু নাহিক তোমাত ব্যতিৰেক ॥
তুমি কাৰ্য্য-কাৰণ সমস্ত চৰাচৰ। সুবৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ ॥
তুমি পশু-পক্ষী সুৰাসুৰ তৰু-তৃণ। অজ্ঞানত মূঢ় জনে দেখে ভিন্ন ভিন্ন ॥

ইয়াৰ সেইদৰে এই শান্ত ৰসৰ পৰা শৃঙ্গাৰ ৰা আদি ৰসলৈ আহি তাকো শঙ্কৰদেৱে কেনে বিচক্ষণভাৱে ফুটাই তুলিছে মন কৰিব পাৰি—

হেন মহা দিব্যবন দেখিলন্ত ত্ৰিনয়ন দিব্য কন্যা এক আছে তাতে।
কোটি লক্ষ্মী সম মোহে কটাক্ষে ত্ৰৈলোক্য মোহে ভণ্টা খেৰি খেলে দুয়ো হাতে ॥
তপ্ত সুবৰ্ণৰ সম জ্বলে দেহ নিৰুপম ললিত বলিত হাত-পাৱ।
চক্ষু কমলৰ পাসি মুখে মনোহৰ হাসি সঘনে দৰশে কাম ভাৱ ॥
দৰশান্ত কাৰ পিঠি খনো হাসে সমদৃষ্টি চাহি লাজে চান্ত চক্ষু মুদি।
ভ্ৰমন্ত অনেক ভাৱে উড়ুৱাৱে বস্ত্ৰ বাৱে, উচ্চ কুচ-কুম্ভ হোৱে উদি ॥
কঙ্কালে কিঙ্কিনী বাজে, চৰণ-কমল মাজে বজ্ৰৰ নূপুৰ কনঝুন।
হালে অতি মধ্যদেশ সংসাৰ-মোহিনী বেশ একো অঙ্গে নাহি ক্ষতি-খুন ॥
মুখ চন্দ্ৰসম শোভে পদ্মৰ সুৰভি লোভে বেঢ়ি মধুকৰে কৰে ৰোল।
শৰীৰৰ লাসবেশ নেত্ৰৰ কটাক্ষ ঠেস দেখি শম্ভু অতি ভৈল ভোল ॥

শৃঙ্গাৰ-ৰসৰ অৱতাৰণা সম্পৰ্কত বঙলা ভাষাৰ গীতি-কবি চণ্ডীদাস আৰু মৈথিলী কবি বিদ্যাপতিৰ লগত শঙ্কৰদেৱৰ পাৰ্থক্য বিশেষ মন কৰিব লগীয়া। চণ্ডীদাস সহজীয়া কবি; গতিকে তেওঁৰ ৰাধা-কৃষ্ণ বিষয়ক প্ৰেম-গীতবোৰ ৰামী